# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-04-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

**--------------------**

১।	আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ প্ৰতি শুল্ক আৰোপৰ সিদ্ধান্তৰ ফলত বিশ্বজুৰি ষ্টক বজাৰসমূহৰ সূচাংক অভাৱনীয়ভাৱে নিম্নগামী। ভাৰতীয় বজাৰতো এই মন্দাৱস্থাৰ প্ৰভাৱ।

২।	সমগ্ৰ দেশত আজি মাজনিশাৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলত আৱকাৰী শুল্ক দুটকাকৈ বৃদ্ধি।

৩।	পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়পক্ষৰ মাজত নিৰ্বাচনী তৎপৰতা।

৪।	অসম আৰক্ষীৰ উদ্যোগত গুৱাহাটীত আজি শিশু অধিকাৰ সম্পৰ্কীয় ইনফেনছিয়া শীৰ্ষক দেশৰ প্ৰথমখন আলোচনা চক্ৰ।	**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ প্ৰতি শুল্ক আৰোপৰ সিদ্ধান্ত আৰু এই ৰাষ্ট্ৰসমূহে বৃহৎ পৰিমাণৰ শুল্ক ভৰিব লাগিব বুলি ট্ৰাম্পে আজি কৰা ঘোষণাৰ ফলত বিশ্বজুৰি ষ্টক বজাৰসমূহৰ সূচাংক অভাৱনীয়ভাৱে তললৈ নামে। ইউৰোপ আৰু এছিয়াৰ ষ্টক বজাৰৰ এই মণ্ডাৱস্থাৰ প্ৰভাৱ ভাৰতীয় বজাৰতো বাৰুকৈ পৰে। বম্বে ষ্টক এক্সচেঞ্জৰ সংবেদী সূচাংক এটা সময়ত ৪ হাজাৰ পইণ্ট নিম্নগামী হয় আৰু ষ্টক বজাৰ বন্ধ হোৱাৰ সময়ত এই সূচাংক দুহেজাৰ ২২৭ পইণ্ট নিম্নগামী হৈ থাকে। ৰাষ্ট্ৰীয় ষ্টক এক্সচেঞ্জৰ নিফটীও ৫০ পইণ্ট নিম্নগামী হয়। দেশৰ বৃহৎ কোম্পানীসমূহৰ ভিতৰত টাটা ষ্টীলৰ ষ্টক মূল্য ৭ দশমিক ৭ শতাংশ, লাৰ্ছন এণ্ড টুৰব'ৰ ষ্টক মূল্য ৫ দশমিক ৭ শতাংশ আৰু টাটা মটৰ্ছৰ ষ্টক মূল্য ৫ দশমিক ৫ শতাংশ হ্ৰাস পায়। আন্তৰ্জাতিক বজাৰত আজি খাৰুৱা তেলৰ মূল্য তিনি শতাংশ হ্ৰাস পাই আৰু ২০২১ চনৰ পাছত এয়ে হৈছে আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ সৰ্বনিম্ন মূল্য।

ভাৰতীয় অৰ্থনীতিত প্ৰতিশুল্কৰ প্ৰভাৱ কেনেদৰে পৰিছে এই বিষয়ে বিশিষ্ট অৰ্থনীতিবিদ ড০ জয়দীপ বৰুৱাই এইদৰে কয়------	**(বাইট ঃ ড০ জয়দীপ বৰুৱা)**

০০০০০

সমগ্ৰ দেশতে আজি মাজনিশাৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলত আৱকাৰী শুল্ক দুটকাকৈ বৃদ্ধি পাব। অৱশ্যে ইয়াৰ ফলত দুয়োবিধ ইন্ধনৰ খুচুৰা মূল্য বৃদ্ধি নহ'ব বুলি তৈল বিপণন কোম্পানীসমূহে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে

আজি নতুন দিল্লীত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে আৱকাৰী শুল্কৰ এই বৃদ্ধিয়ে গ্ৰাহকসকলৰ ওপৰত প্ৰত্যক্ষভাৱে বিশেষ প্ৰভাৱ নেপেলায়।

**(বাইট ঃ হৰদীপ সিং পুৰী)**

তদুপৰি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্যও ৫০ টকাকৈ বৃদ্ধি কৰা হৈছে। শ্ৰী পুৰীয়ে কয়, যে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰ কাইলৈৰ পৰা ৫৫০ টকাত আৰু অন্য সকলে ৮৫৩ টকাত লাভ কৰিব। অৱশ্যে ইয়াৰ সৈতে ৰাজ্যিক কৰৰ নিৰিখ ধৰা হোৱা নাই।

০০০০০

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়পক্ষৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। এইবাৰ পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি আৰু অগপই বুজাবুজিৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰপেটা জিলাৰ অন্তৰ্গত পৰিষদসমূহত আসন বুজাবুজিৰ বাবে আজি বিজেপি আৰু অগপৰ নেতাসকলৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। জিলাখনত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত–

**ভইচ (অৰূপজ্যোতি মহন্ত)**

সমাগত পঞ্চায়ত নিৰ্বাচনত ৰঙিয়া বিধানসভা সমষ্টিত বিজেপিয়ে মিত্ৰতাৰ ধৰ্ম পালন কৰি বুজাবুজিৰে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি ৰঙিয়া সমষ্টিৰ বিজেপিৰ বিধায়ক ভৱেশ কলিতাই প্ৰকাশ কৰিছে। বিধানসভা সমষ্টিটোৰ অন্তৰ্গত ২৫ খন পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদত বিজেপিৰ সৈতে মিত্ৰদলসমূহে বুজাবুজিৰ মাজেৰে আসনৰ ভাগ-বটোৱাৰা কৰিব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিছে।

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ সংকল্প পত্ৰৰ বাবে ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই জনসাধাৰণক ই-মেইল, হোৱাটছএপ অথবা লিখিতভাৱে তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ পোনপটীয়াকৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। জনসাধাৰণে panchayatsankalpatra@gmail.com অথবা ৯১০১৬ ৬৪৫৯৩ নম্বৰত হোৱাটছএপ যোগে তেওঁলোকৰ পৰামৰ্শসমূহ অহা ১০ এপ্ৰিলৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব।

ইপিনে পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি শোণিতপুৰ জিলাৰ তেজপুৰ, ৰঙাপাৰা আৰু বৰচলা বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে। সেই অনুসৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত প'ষ্টেল বেলট পেপাৰ, ই ডি চি কোষ আৰু ড্ৰপ বক্স সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে।

ডিব্ৰুগড় জিলাতো পঞ্চায়ত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে আজি নন্দলাল বৰগোহাঁই চিটী মহাবিদ্যালয়ত জ'নেল আৰু ছেক্টৰ বিষয়াসকলৰ খণ্ড আৰু পথ পৰিকল্পনা, নিৰ্বাচন প্ৰক্ৰিয়া তথা বেলট বাকচৰ সন্দৰ্ভত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনত অহা ২ মে'ত ২২ খন জিলা পৰিষদ, ৭ খন আঞ্চলিক পঞ্চায়ত আৰু ৯৩ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯৩০টা ৱাৰ্ডৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

অসম আৰক্ষীৰ উদ্যোগত শিশু অধিকাৰ সম্পৰ্কীয় ইনফেনছিয়া শীৰ্ষক দেশৰ প্ৰথমখন আলোচনা চক্ৰ আজি গুৱাহাটীত অনুষ্ঠিত হয়। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান হৰমিত সিং, বলিউদৰ অভিনেত্ৰী নেহা ধুপীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে উপস্থিত থকা এই আলোচনাত ডিজিটেল মাধ্যমসমূহত শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে অনলাইন মাধ্যমে শিশুৰ ওপৰত পেলোৱা প্ৰভাৱ সন্দৰ্ভত আলোচনা কৰা

হয়। অনুষ্ঠানত আৰক্ষীৰ সঞ্চালক প্ৰধানগৰাকীয়ে শিশুৰ অধিকাৰ সুৰক্ষিত কৰাৰ বিষয়টো গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে সামাজিক মাধ্যম, সংবাদ মাধ্যমকে ধৰি ডিজিটেল ক্ষেত্ৰত ঘটি থকা ঘটনাসমূহৰ বিষয়ে পিতৃ-মাতৃ, অভিভাৱক আৰু শিক্ষক সমাজ অৱগত হৈ শিশুসকলক সুৰক্ষা দিব লাগিব। কোভিডৰ প্ৰাদুৰ্ভাৱৰ পাছৰে পৰা শিশুৰ বাবে ডিজিটেল মাধ্যম ব্যৱহাৰৰ বিষয়টোৱে ক্ৰমাৎ সমস্যাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে।

**(বাইট ঃ হৰমিত সিং)**

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা আৰ্হি কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত ৰাজ্যখনৰ এহেজাৰ ৫০০ খন মাধ্যমিক বিদ্যালয়ত চলি থকা দক্ষতা বিকাশৰ পাঠ্যক্ৰমৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা বৈঠকত বিভিন্ন দক্ষতা পৰিষদে দিয়া পৰামৰ্শ অনুসৰি শিক্ষানুষ্ঠানৰ আদৰ্শ পাঠ্যক্ৰমত দক্ষতাৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে চলিত বছৰৰ পৰাই মাধ্যমিক পাঠ্যক্ৰমত দক্ষতা বিকাশৰ শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে বিদ্যায়তনিক নীতি-নিৰ্দেশনাৰ সংস্কাৰ সাধন কৰি ছাত্ৰ-ছাত্ৰীয়ে বাচনি কৰিব পৰাকৈ বিভিন্ন দক্ষতা বিকাশৰ পাঠ্যক্ৰম ৰখাৰ ব্যৱস্থা কৰিছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে। প্ৰশিক্ষিত ব্যক্তিৰ দ্বাৰা আৰু অন্য শিক্ষানুষ্ঠানসমূহৰ সহযোগিতাত এই পাঠ্যক্ৰমসমূহৰ শিক্ষা প্ৰদান কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে আজি সমগ্ৰ শিক্ষা অসমৰ শিক্ষা সেঁতু এপৰ কাম-কাজৰ পৰ্যালোচনা কৰে।

০০০০০

বাৰিষাৰ সময়ত সম্ভাব্য বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে কাৰ্যপন্থা যুগুত কৰিবলৈ আজি ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এখন বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়াবৰ্গৰ লগতে এন ডি আৰ এফ, এছ ডি আৰ এফ, অসামৰিক প্ৰতিৰক্ষা, সেনা বাহিনী, ভাৰতীয় খাদ্য নিগমকে ধৰি বিভিন্ন বিভাগ আৰু সংস্থাৰ প্ৰতিনিধি উপস্থিত থাকে। বৈঠকখনত বাৰিষাৰ সময়ছোৱাত বান পৰিস্থিতিৰ পৰা জনসাধাৰণক সকাহ দিয়াৰ বাবে আগতীয়াকৈ সাজু হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰী শ্ৰী মহন্তই বান ব্যৱস্থাপনাৰ সৈতে জড়িত প্ৰতিটো বিভাগক নিজৰ দায়িত্বসমূহ পালনৰ বাবে আগতীয়াকৈ প্ৰস্তুত হ'বলৈ পৰামৰ্শ দিয়ে।

০০০০০

ধুবুৰী চহৰত থকা ইউকো বেংকৰ দক্ষিণ শালমাৰা শাখাৰ পৰা ৩৪ লাখ টকা আত্মসাৎ কৰি পলায়ন কৰা বেংকটোৰ এগৰাকী কৰ্মচাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হৈছে। ধুবুৰীৰ আৰক্ষী অধীক্ষক নবীন সিঙৰ নেতৃত্বত সদৰ থানাৰ উপ-পৰিদৰ্শক মেহবুব আলীসহ আৰক্ষীৰ এটা দলে কালি বিহাৰৰ বৈশাখী জিলাৰ হাইদপুৰ ৰাজৌলী গাঁৱৰ পৰা শিৱশংকৰ প্ৰসাদ বিন নামৰ ইউকো বেংকৰ কোষাধ্যক্ষগৰাকীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে কোষাধ্যক্ষগৰাকীৰ পৰা নগদ ১০ লাখ টকা উদ্ধাৰ কৰে। আৰক্ষীৰ দলটো আজি পুৱা ধুবুৰী সদৰ থানাত উপস্থিত হয়। কৰ্মচাৰীগৰাকীক আজি ধুবুৰী আদালতত হাজিৰ কৰোৱা হয়। উল্লেখযোগ্য যে বিগত কেইবামাহো ধৰি নিজৰ একাউণ্টত ধন জমা নোহোৱাক লৈ বেংকটোৰ কেইবাগৰাকীও গ্ৰাহকে অভিযোগ দাখিল কৰিছিল। এই অভিযোগৰ ভিত্তিত বেংক কৰ্তৃপক্ষই নিজাববীয়াকৈ চলোৱা তদন্তত কেইবা লাখ টকাৰ বিত্তীয় খেলিমেলি ধৰা পৰাত বেংক কৰ্তৃপক্ষই কোষাধ্যক্ষগৰাকীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছিল।

০০০০০

বাক্সা জিলাৰ হজুৱাৰ ককলাবাৰী চাপাগুড়ি মহাবিদ্যালয়ত আজি বিটিআৰৰ দক্ষতা, নিযুক্তি আৰু উদ্যোগ বিভাগৰ অধীনত এটা কেৰিয়াৰ পৰামৰ্শ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত আনুষ্ঠানিক শিক্ষাৰ উপৰি বহনক্ষম বিকাশৰ বাবে দক্ষতা অৰ্জনৰ বিষয়ত আলোচনা কৰা হয়। অনুষ্ঠানত বিটিআৰৰ দক্ষতা আৰু নিযুক্তি বিভাগৰ উপদেষ্টা ৰঞ্জন কুমাৰ বৰুৱা, পাৰিষদ মণ্টু বড়োকে ধৰি মহাবিদ্যালয়খনৰ ৫০০ৰো অধিক ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণ কৰে।

০০০০০

বৰপেটা জিলাৰ চেঙাৰ বাঘমাৰা চৰত বন বিভাগে আজি দুটা অবৈধ কাঠফলা মিল উৎখাত কৰে। বন বিভাগে লগতে বহু পৰিমাণৰ কাঠৰ কুণ্ডাও জব্দ কৰে। এতিয়ালৈকে মিল দুটাৰ  গৰাকীৰ সন্ধান ওলোৱা নাই বুলি বন বিভাগে জানিবলৈ দিছে। উল্লেখযোগ্য যে চৰ অঞ্চলৰ দুৰ্গম যাতায়াতৰ বাবে বন বিভাগে নিয়মীয়াকৈ এই অঞ্চলসমূহত তালাচী চলাব নোৱাৰাৰ সুযোগ লৈ কাঠৰ চোৰাং ব্যৱসায়ীয়ে দীৰ্ঘদিন ধৰি ব্যৱসায় চলাই আহিছে।

০০০০০

উত্তৰ-পূব উদ্যোগী নাৰী সন্থাই ডিব্ৰুগড়ৰ জেউতি মৰল সংঘ খেলপথাৰত আজিৰে পৰা ৫ দিনীয়াকৈ **ৰঙালী ৰং** শীৰ্ষক এখন বস্ত্ৰমেলাৰ আয়োজন কৰিছে। অসম পৰ্যটন উদ্যোগ নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই আনুষ্ঠানিকভাৱে এই মেলাৰ শুভাৰম্ভ কৰে। উত্তৰ-পূব উদ্যোগী নাৰী সন্থাই মহিলা উদ্যোগীৰ দ্বাৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী আৰু জনজাতীয় খাদ্য সম্ভাৰৰ মেলাৰ আয়োজনৰ জৰিয়তে বিগত কেইবা বছৰ ধৰি মহিলা সবলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আজি মুম্বাই ইণ্ডিয়ানছ্ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

শিৱসাগৰ জিলাৰ নাজিৰাৰ সৰবৰহী মহিলা তথা সমাজ সেৱিকা অঞ্জলী গগৈৰ আজি পুৱতি নিশা যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। হৃদ ৰোগকে ধৰি অন্যান্য শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ যোৱা ১ এপ্ৰিলৰ পৰা চিকিৎসাধীন হৈ আছিল। বিবিচি এছিয়া পেচিফিকৰ সম্পাদকৰ দায়িত্বত থকা শচীন গগৈৰ মাতৃ অঞ্জলী গগৈ অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। বৈদেশিক পৰিক্ৰমা বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰয়াত গগৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত